Assam Judicial Service Grade III (Mains) 2019

Paper V · Assamese · compulsory paper

৫০ নম্বৰ · ২ ঘণ্টা · ১৬ জুন ২০১৯

1. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ন্যূনতম ১৫০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখা। (ক) মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী (খ) চৰকাৰী কার্যালয়সমূহত কর্মসংস্কৃতি গঢ়াৰ উপায় (গ) পৰিবেশ প্ৰদূষণ নিয়ন্ত্ৰণত আইনৰ ভূমিকা (৫)

2. তলৰ অনুচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰা। The heart of a Sattra, the community prayer hall, was duplicated in each village by the institution of Namghar, a revolutionary step in religious and social transformation. The Namghar grew to be the centre of every activity of the village, the club where elders congregated each evening, a place for philosophical discourse as well as discussions on the affairs of the village, a theatre where the young and old performed folk or classical dramas, as also the village court where misconduct by individuals were weighed by the entire community and punishment imposed. In the final analysis, it was the moral standard set by the Sattras and Namghars which rescued the society of the Brahmaputra valley from the religious excesses and depravity of earlier days and enabled the cultural renaissance to accompany religious reform. — Arup Kumar Dutta (৬)

3. চমু টোকা লিখা (যিকোনো দুটাৰ): (ক) গুৱাহাটী উচ্চ ন্যায়ালয় (খ) মহাবিদ্যালয় (গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান (২ × ২ = ৪)

4. তলত দিয়া শব্দবোৰৰ দুটাকৈ সমার্থক শব্দ লিখা (যিকোনো ৪ টাৰ): (ক) পৃথিৱী (খ) ৰজনী (গ) নয়ন (ঘ) জুই (ঙ) অৰণ্য (১ × ৪ = ৪)

5. নিম্নলিখিত জতুৱা-ঠাঁচসমূহৰ যিকোনো চাৰিটাৰ অর্থ লিখি বাক্য ৰচনা কৰা: (ক) অকাজ ভাগী (খ) ভিকাচন ভাগ (গ) ঘাত-মাউৰা (ঘ) শহাকণীয়া (ঙ) কাঠচিতীয়া (চ) শলঠেকত পৰা (৪)

6. তলত দিয়া শব্দবোৰৰ বিপৰীত শব্দ লিখা (যিকোনো ৪ টাৰ): (ক) সুগম (খ) পুৰস্কাৰ (গ) হ্ৰাস (ঘ) হর্ষ (ঙ) পাশ্চাত্য (১/২ × ৪ = ২)

7. খালী ঠাই পূৰ কৰা: (ক) ____ বুৰিলেও টিঙৰপৰা ননমা। (খ) ফিৰিঙতিৰ পৰা ____ হয়। (গ) ____ চিন মাহনিত। (ঘ) ____ মাত আকালৰ ভাত। (১/২ × ৪ = ২)

8. তলত দিয়া শব্দবোৰৰ ইংৰাজী প্ৰতিশব্দ লিখা: (ক) চুক্তি (খ) সর্বভাৰতীয় সেৱা (গ) পাঠ্যক্ৰম (ঘ) নাস্তিক (ঙ) সংশোধন (চ) উচ্চাভিলাষ (ছ) অভিযোগ পত্ৰ (জ) প্ৰাচীন স্মৃতিচিহ্ন (ঝ) মহকুমা দণ্ডাধীশ (ঞ) নির্বাচন (ট) আয়কৰ (ঠ) আৰক্ষী অধীক্ষক (১/২ × ১২ = ৬)

9. তলত দিয়া শব্দবোৰৰ অসমীয়া পৰিভাষা লিখা: a. Registration b. Requisition c. Licence d. Maternity leave e. Public nuisance f. Quinquennial g. Legislature h. Lessee (১/২ × ৮ = ৪)

10. এটা বা দুটা শব্দত লিখা: (ক) দোষীক চিনাক্ত কৰিবলৈ তাৰ দেহত থকা চিন চেকা বুজাই কৰা ঘোষণা (খ) বিধি অনুযায়ী অপৰাধমূলক কার্যৰ গোচৰ নির্দিষ্ট কৰি আৰক্ষীয়ে আদালতত দিয়া পত্ৰ (গ) ৰাজহুৱা বা আনুষ্ঠানিক নথি-পত্ৰৰ ভঁৰাল (ঘ) অস্থায়ীভাৱে পদৰ পৰা অপসাৰণ কৰা কার্য (ঙ) যাৰ পূর্বজন্মৰ কথা মনত আছে (১ × ৫ = ৫)

11. ইংৰাজীলৈ অনুবাদ কৰা: (ক) তেওঁৰ ঘৰৰ আগত এখন ফুলনি আছে। (খ) হৰি ষ্টেচনলৈ ওলাই যোৱাৰ আগতেই ঘটনাটো ঘটিছিল। (গ) যোৱা ৰাতি ঘৰত চোৰ সোমাইছিল। (ঘ) গৰুটো জেওৰা ভাঙি সোমাল। (ঙ) মই দেখোঁতে সি পথাৰত হাল বাই আছিল। (চ) মানুহজনক দাৰে ঘপিয়াই হত্যা কৰা হৈছিল। (ছ) তুমি ইমান অধৈর্য্য হৈছা কিয়? (জ) তদন্তকালত পুলিচে তিনিটা গাঁঠি থকা বাঁহৰ লাঠি এডাল জব্দ কৰিছিল। (৮)